কিয়ামতৰ দিনা আটাইতকৈ লঘু শাস্তি হ'ব সেই ব্যক্তিৰ, যাক জুইৰ জোতা পৰিধান কৰোৱা হ'ব, যাৰ ফলত তাৰ মগজু গলি পৰিব। সি ধাৰণা কৰিব যে, আটাইতকৈ কঠিন শাস্তি তাকেই প্ৰদান কৰা হৈছে। অথচ তাক আটাইতকৈ লঘু শাস্তি প্ৰদান কৰা হৈছে।

নু'মান বিন বাশ্বীৰ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "কিয়ামতৰ দিনা আটাইতকৈ লঘু শাস্তি হ'ব সেই ব্যক্তিৰ, যাক
জুইৰ জোতা পৰিধান কৰোৱা হ'ব, যাৰ ফলত তাৰ মগজু গলি পৰিব। সি ধাৰণা কৰিব যে, আটাইতকৈ কঠিন শাস্তি তাকেই প্ৰদান কৰা হৈছে। অথচ তাক আটাইতকৈ লঘু শাস্তি প্ৰদান কৰা হৈছে।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, কিয়ামতৰ দিনা যিজন ব্যক্তিক আটাতকৈ লঘু শাস্তি বিহা হ'ব, তাক জুইৰ জোতা পৰিধান কৰোৱা হ'ব। যাৰ ফলত তাৰ মগজু গলি পৰিব, যিদৰে তাম গৰম কৰিলে উতলি উঠে। সি ধাৰণা কৰিব যে, ইয়াতকৈ কঠিন শাস্তি আন কাকো দিয়া নহ'ব। অথচ এইটো হৈছে আটাইতকৈ সহজ শাস্তি। এইটো এইকাৰণে যে, তাক শাৰীৰিক আৰু মানসিক উভয় প্ৰকাৰ শাস্তি একেলগে বিহা হৈছে।

http://sunnah.global/hadeeth/as/show/4220